# গ্ৰামাঞ্চলৰ ঘৰখন আৰু শিক্ষা

শিক্ষা ধাৰণাটো বিভিন্ন পণ্ডিতে বিভিন্ন ধৰণে ব্যাখ্যা কৰে যদিও প্ৰায়বোৰ পণ্ডিতৰ মতামতৰ সাৰাংশ এয়ে যে- শিক্ষা হ'ল ব্যক্তি এজনৰ জীৱন জুৰি বিকাশশীল প্ৰক্ৰিয়া য'ত পুথিগত কৌশল আহৰণৰ উপৰিও বিভিন্ন পৰিৱেশৰ পৰা লাভ কৰা অভিজ্ঞতাও সংলগ্ন হৈ থাকে। আধুনিক কল্যাণকামী সমাজ ব্যৱস্থাসমূহৰ প্ৰগতিৰ ৰীতি, কৰ্মকৌশল আদিত আনুষ্ঠানিক শিক্ষা বিস্তাৰ আৰু গুণগত শিক্ষাৰ প্ৰসাৰে অগ্ৰাধিকাৰ লাভ কৰিছে। সেইবাবে ভাৰতবৰ্ষৰ নিচিনা দেশত চৰকাৰী বাজেটৰ ৬ শতাংশ শিক্ষা শিতানত ব্যয় কৰাৰ পৰামৰ্শ আগবঢ়োৱা হৈছে। শিক্ষা শিতানত হোৱা বিনিয়োগৰ ভৌতিক বিনিময়ৰ হিচাপ উলিওৱা কঠিন কিয়নো ইয়াৰ বিনিময় বৰ দীৰ্ঘম্যাদি। সুস্থ আৰু সামূহিক উন্নয়নৰ লক্ষ্যত উপনীত হ'বলৈ দেশৰ জনসাধাৰণ এশ শতাংশ গুণগত শিক্ষাৰে শিক্ষিত কৰাৰ লক্ষ্য দেশখনৰ অন্যতম উদ্দেশ্য। কিয়নো বিশ্বৰ অতি উন্নত দেশসমূহৰ উচ্চ শিক্ষিতৰ হাৰে ইতিমধ্যে প্ৰমাণ কৰিছে যে শিক্ষা আৰু আৰ্থ-সামাজিক উন্নয়নৰ মাজত নিবিৰ সম্পৰ্ক বিদ্যমান। সেয়েহে এশ শতাংশ শিক্ষিত লোকেৰে পৰিপূৰ্ণ দেশ এখনৰ সমাজ ব্যৱস্থাত প্ৰচলিত ধাৰণাসমূহ যেনে- ধৰ্ম, বিশ্বাস,নৈতিকতা, মানৱীয় প্ৰমূল্য, ভোগ, উৎপাদন, সা-সম্পদ, সামাজিক শ্ৰেণী বৈচিত্ৰ আদি ইতিবাচক দিশত গতিশীল হয়। সেইবাবে ৰাষ্ট্ৰসংঘৰ ইউ.এন্.ডি.পি. নামৰ সংস্থাই বিশ্বৰ দেশসমূহৰ আপেক্ষিক মানৱ উন্নয়নসূচক প্ৰস্তুত কৰাৰ ক্ষেত্ৰত শিক্ষা বিস্তাৰক প্ৰধান উপাদান হিচাপে গণ্য কৰে। উন্নয়নৰ সূচকৰ হিচাপ কৰোঁতে অন্যতম আন দুটা উপাদান ক্ৰমে

স্বাস্থ্য সেৱাৰ সুবিধা আৰু আয় উপাৰ্জনৰ উৎসও বিবেচনাত লোৱা হয়। এই ক্ষেত্ৰত এইটোও প্ৰনিধানযোগ্য যে শিক্ষাৰ বিস্তাৰে বাকী উপাদান দুটাৰো বিকাশৰ পথ প্ৰশস্ত কৰে। সেইবাবে উন্নয়নৰ সকলো কথাৰ গুৰিয়েই হ'ল শিক্ষা। এনে আদৰ্শগত প্ৰেক্ষাপটৰ আধাৰত দেশসমূহত সম্প্ৰতি আইন-প্ৰণয়ন কৰি হ'লেও শিক্ষাক মৌলিক অধিকাৰ ৰূপে প্ৰতিষ্ঠা কৰাৰ চেষ্টা অব্যাহত ৰখা হয়। সেই অনুসৰি ভাৰততো চৰকাৰী প্ৰচেষ্টা অব্যাহত ৰখা হৈছে যদিও গ্ৰামাঞ্চলত শিক্ষা বিস্তাৰৰ নানা আহুকাল আহি পৰিছে।

মানুহ হোৱাৰ বাবে শিক্ষা আহৰণৰ বিকল্প নাই। কণ্টকাকীৰ্ণ মানৱ জীৱন মঙ্গলময় কৰি তুলিবলৈ মানুহে সভ্য হোৱা দিনৰ পৰাই এই আপ্তবাক্যশাৰী প্ৰযোজ্য হৈ আছে। সভ্যতাৰ আদি অৱস্থাৰ গুৰুগৃহ, ৰাজ-পৃষ্ঠপোষকতা, বৈদিক, উপনিষদীয়, ধৰ্মীয়, পৌৰাণিক, সামন্তীয়, আধুনিক স্তৰ গৰকি সম্প্ৰতি শিক্ষা ব্যৱস্থা আধুনিকোত্তৰ অৱস্থা পাইছেহি। ক্ৰমবৰ্ধিত ভোগবাদী সমাজ ব্যৱস্থা আৰু বিজ্ঞান প্ৰযুক্তিৰ পৰ্বত সম প্ৰগতিয়ে যিদৰে মানুহৰ ব্যক্তিগত, পাৰিবাৰিক, পাৰিপাৰ্শ্বিক আৰু সামাজিক বাতাবৰণ জটিলতৰ কৰি তুলিছে সেইদৰে উপযুক্ত নাগৰিক গঢ়াৰ প্ৰক্ৰিয়াও কঠিন কৰি তুলিছে। সন্তানক মানুহ কৰি গঢ়াৰ উপৰিও সমাজৰ মূল সুঁতিত ৰাখি উপযুক্ত পথৰ সন্ধান দিয়াটো বহু অভিভাৱকৰ এক প্ৰত্যাহ্বান হৈ পৰিছে। আমাৰ গ্ৰামাঞ্চলত এহাতে অভিভাৱকৰ অজ্ঞতা আৰু আনফালে নব্য ভোগবাদী ব্যৱস্থাই পাৰিবাৰিক অথবা ঘৰুৱা পৰিৱেশ শিক্ষা প্ৰতিকূল কৰি তোলা দেখা গৈছে। কথাটো একেবাৰে সাধাৰণীকৃত নকৰাকৈ চালেও দেখা যায় যে অগণন গ্ৰাম্য যুৱক-যুৱতী আদবাটতে শিক্ষা সামৰি আওবাটে গৈ আছে। গাঁৱৰ সন্তানৰ কৈশোৰপ্ৰাপ্তি আৰু তাৰ পৰৱৰ্তী কালছোৱাত বিভিন্ন অপৰাধজনিত ঘটনাত জড়িত হৈ অকল সামাজিক ব্যাধিৰে সৃষ্টি কৰা নাই বৰং বহুক্ষেত্ৰত নিজেও নানা প্ৰকাৰৰ অপায়ৰ ফান্দত পৰি দৈন্যময় জীৱন-যাপন কৰিবলগীয়া হৈছে। গাঁৱৰ যুৱচামৰ শিক্ষাপ্ৰাপ্তিত ঘৰখনৰনো কেনে ভূমিকা হোৱা উচিত, কৈশোৰ অথবা কৈশৰোত্তৰ সময়াংশত শিক্ষাৰ্থীৰ সম্ভাব্য অপায়-অঘটনৰ বিভিন্ন দিশ আৰু সম্ভাব্য প্ৰতিৰোধৰ ব্যৱস্থা সম্পৰ্কে কেইটামান দিশ আলোকপাত কৰাৰ বাবে নিবন্ধটি যুগুতোৱা হৈছে।

শিক্ষা মনোবিজ্ঞানত ঘৰখনকেই শিশু শিক্ষাৰ ভেটি বুলি অভিহিত কৰা হয়। সম্প্ৰতি ঘৰখন অকল শিক্ষাৰ ঘাই ভেটিয়েই নহয় বৰং সন্তানক ভোগবাদী সমাজ ব্যৱস্থাৰ পৰা উদ্ভৱ হোৱা সংকটসমূহৰ পৰা ৰক্ষনাবেক্ষণ দি উপযুক্ত শিক্ষা আহৰণৰো স্থল বুলি ভবাৰ সময় সমাগত। বৰ্তমানৰ সমাজখনক নগৰকেন্দ্ৰিক আৰু গ্ৰাম্যকেন্দ্ৰিক দুই প্ৰকাৰে ভাগ কৰি বিচাৰ কৰিলেও গ্ৰামাঞ্চলত শিশুৰ শিক্ষাৰ বাবে 'ঘৰখন'ৰ প্ৰভাৱ অধিক গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হয়। যি ঠাইৰ পৰা শিক্ষাৰ অংকুৰণ হ'ব ধৰে আৰু যি ঠাইত শিক্ষা সাধনাৰ অধিকাংশ সময় অতিবাহিত কৰিবলগীয়া হয় সেই ঠাই অৰ্থাৎ ঘৰখন যদি শিক্ষা অনুকূল নহয় তেন্তে চৰকাৰী সামূহিক প্ৰচেষ্টা তথা আনুষ্ঠানিক বিদ্যালয় ব্যৱস্থাই শিক্ষাৰ সুফল কঢ়িয়াই আনিবলৈ নিশ্চয় অক্ষম হ'ব। এনে প্ৰসংগত অভিভাৱকৰ অজ্ঞতা থাকিলেও নব্য ভোগবাদী সমাজ ব্যৱস্থাৰ কুফলসমূহৰ পৰা হাত সাৰিবলৈ নিম্ন বিষয়বিলাক বিবেচনা কৰা উচিত।

(ক) সন্তানৰ বয়স ১৮ বছৰ হোৱালৈকে তেওঁলোকক অভিভাৱকসকলে বেছিকৈ সংগ দিয়াৰ প্ৰচেষ্টা কৰা উচিত। বিশেষকৈ ১১-১২ বছৰ অৰ্থাৎ কৈশোৰপ্ৰাপ্তিৰ পৰাই ঘৰখনত পতি-পত্নী কথা পাতোঁতে, ৰাগিয়াল বস্তু গ্ৰহণ কৰোঁতে, টেলিভিচন ব্যৱহাৰ কৰোঁতে অভিভাৱকে অতি সাৱধান হোৱা উচিত। তদুপৰি সন্তানে যাতে কোনো ধৰণৰ দল চাপ (Peer Pressure) ত নপৰে তাৰ বাবে সতৰ্ক থকা উচিত।

(খ) পূৰ্বৰ পৰম্পৰা (Early to bed early to rise) সোনকালে শোৱা সোনকালে উঠা অভ্যাসটো সন্তানৰ উপৰোক্ত বয়সত গঢ় দিয়াৰ প্ৰচেষ্টা কৰা উচিত। পঢ়া কোঠালিৰ ওচৰত টি.ভি. ৰূম থাকিলে বা স্মাৰ্ট ফোন সন্তানৰ লগত থাকিলে তেওঁলোকৰ সংগোপনে Late night flim (শেষ নিশাৰ চিনেমা) চোৱাৰ প্ৰৱণতা থাকে। বয়োঃসন্ধিৰ পৰা ১৮ বছৰ বয়সলৈকে এনে প্ৰৱণতা সন্তানৰ বাবে তেনেই স্বাভাৱিক।

(গ) সন্ধিয়া চাকি-বন্তি জ্বলোৱাৰ সময়ত বা প্ৰাৰ্থনা কৰাৰ সময়ত কোনো প্ৰকাৰে যাতে সন্তান ঘৰৰ বাহিৰত নাথাকে তেনে অভ্যাস গঢ়ি তোলা জৰুৰী।

(ঘ) অভিভাৱকসকলে সন্তানক মানুহ কৰাৰ খাতিৰত কোনো প্ৰকাৰে

কোনো ক্ষেত্ৰত মিথ্যাচাৰৰ আশ্ৰয় লোৱা অনুচিত আৰু সন্তানকো সত্যবাদী হোৱাৰ প্ৰতি প্ৰলুব্ধ কৰা উচিত। বিদ্যালয়ত থকা সময়ত বা ঘৰৰ বাহিৰত থকা সময়খিনিত কাক-কাক আৰু কেনে কেনে মানুহৰ সংস্পৰ্শলৈ আহে তাৰ খতিয়ান সন্তানৰ মুখেৰে সদায় লোৱা উচিত।

(ঙ) সন্তানৰ আলোচ্য সময়াংশ স্বাভাৱিক কাৰণত আবেগ জৰ্জৰ আৰু অতি বেছি জেদ ভাৱৰ বশৱৰ্তী হয়। ঘৰুৱা অলপ বেমেজালিৰ বাবেই সন্তান দল চাপৰ প্ৰভাৱত সহজে পৰা সম্ভাৱনা প্ৰকট। ফলশ্ৰুতিত সন্তানে যিকোনো ধৰণৰ অপৰাধ সংঘটিত কৰিব পাৰে। স্মাৰ্টফোন, বাইক আদি ল'বৰ বাবে তেওঁলোকৰ অতি আবেগ আৰু অতি জেদভাৱে প্ৰৰোচিত কৰে। এনে জেদ ভাব বা অতি আবেগৰ সময়তহে অভিভাৱকসকল অতিবেচি সতৰ্ক হোৱা উচিত। এইবোৰক নিষ্ক্ৰিয় কৰিবলৈ সন্তানৰ সৈতে বেচিকৈ সংগ দিয়াৰ উপৰিও জীৱনী গ্ৰন্থ অধ্যয়ন, তেওঁলোকৰ তলৰ আৰু ওপৰৰ পৰ্যায়ৰ পৰিয়ালবিলাকৰ আপেক্ষিক অৱস্থাৰ কথা বোধগাম্য কৰাৰ প্ৰচেষ্টা কৰা উচিত। স্মাৰ্টফোন বা বাইকখনেই জীৱনৰ উদ্দেশ্য হ'ব নোৱাৰে বৰং এইবোৰৰ দ্বাৰা সংঘটিত হৈ থকা দেধাৰ ঘটনাৰ ধাৰাভাষ্য অভিভাৱকসকলে সন্তানৰ আগত দাঙি ধৰা উচিত। সমনীয়াৰ সৈতে বিবাদ সম্পৰ্কীয় কথাত আনৰ সন্তানৰ প্ৰতি আক্ৰমণাত্মক দৃষ্টিভংগিৰে পক্ষপাতিত্বৰ আশ্ৰয় লোৱা কোনো অভিভাৱকৰ বাবেই উচিত নহয়। এনে ক্ষেত্ৰত নিৰপেক্ষ ভূমিকা পালন কৰা বৰ কঠিন যদিও নিজৰ সন্তানৰ ভালৰ বাবে ই অতি জৰুৰী।

(চ) বাইক বা স্মাৰ্টফোন সংস্কৃতিৰ বশৱৰ্তী হৈ ব্যয় কৰিবলগীয়া সম্ভাব্য সময়খিনি আন সৃষ্টিশীল কৰ্মত নিয়োজিত কৰিবলৈ অভিভাৱক বা ঘৰখনে প্ৰৰোচিত কৰা উচিত। পাঠ্যক্ৰমিক অধ্যয়নৰ উপৰিও সন্তানৰ Hobby পছন্দৰ ৰুচিমূলক যিকোনো বিষয়ত ব্যস্ত ৰখাৰ দায়িত্ব ঘৰখনৰে। এনে দায়িত্ব পালনত ঘৰখন কৃতকাৰ্য হ'লে পৰৱৰ্তী সময়ত সেই ৰুচিপূৰ্ণ বিষয়টোৱে সন্তানৰ ভৱিষ্যত বৃত্তিমূলক দিশৰো উন্মেষ ঘটাব পাৰে।

(ছ) আলোচ্য সময়াংশ সন্তানৰ বাবে অতি মূল্যৱান। সেইবাবে সামাজিক অনুষ্ঠান অথবা আত্মীয় কুটুমৰ ঘৰত যাওঁতে অথবা বাহিৰত দীৰ্ঘ সময় কটাওঁতে

সততে অভিভাৱকে তীক্ষ্ণ নজৰ ৰখা উচিত। বিশেষ সম্পৰ্কিত ব্যক্তি অথবা নিজৰ আত্মীয়লোকৰ কেতিয়াবা অযুক্তিকৰ অতি মৰমে সন্তানক বিৰূপ ভাবে প্ৰভাৱিত কৰিব পাৰে। পৰীক্ষা আদি শেষ হোৱাৰ পিছৰ অৱসৰৰ সময়খিনি দুৰৱৰ্তী আত্মীয়ৰ ঘৰত বেচিদিন থকাকৈ সন্তানক এৰি দিয়া উচিত নহয়।

গাঁৱত এখন শিক্ষা অনুকূল ঘৰ সৃষ্টি কৰিবলৈ অভিভাৱক সকলৰ দ্বাৰা ওপৰৰ বিষয়সমুহত মনোনিবেশ কৰা নিশ্চয় বিশেষ কঠিন নহ'ব। বিষয়সমূহ কঠিন হ'লেও সন্তানৰ পিতৃ-মাতৃ হিচাপে সেইখিনি কৰাৰ বিকল্প নাই। তদুপৰি শিক্ষা অনুকূল ঘৰ এখনৰ পৰা উপযুক্ত মানুহ গঢ়িবলৈ সন্তানৰ বাবে নিম্ন বিষয়সমূহ হৃদয়ঙ্গম কৰা উচিত।

**দৈহিক বিষয় ঃ** সন্তানৰ স্বাস্থ্য যাতে সুস্থ থাকে তাৰ বাবে পুষ্টিযুক্ত - স্বাস্থ্যসন্মত খাদ্যৰ ব্যৱস্থা কৰাৰ উপৰিও বিভিন্ন প্ৰকাৰৰ সহজ লভ্য খেল-ধেমালিৰ প্ৰতি সন্তানক প্ৰৰোচিত কৰা উচিত।

**বৌদ্ধিক দিশ ঃ** সন্তানৰ বুদ্ধিমত্তা যাতে স্বাভাৱিকভাৱে বৃদ্ধি পায় তাৰ বাবে ভিন্ন ৰুচি সম্পন্ন গ্ৰন্থ পাঠ, সাহিত্য চৰ্চা, তৰ্ক সভা, বিজ্ঞান বিষয়ক শিক্ষা, কুইজ প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা আদিৰ প্ৰতি আগ্ৰহী কৰাৰ প্ৰচেষ্টা কৰা উচিত।

**কলাত্মক বিষয় ঃ** সন্তানৰ মানসিক উৎকৰ্ষৰ বাবে বিভিন্ন ধৰণৰ নৃত্য, গীত, আবৃত্তি, নাট্যাভিনয়, চিত্ৰাংকন, ভাস্কৰ্য, হস্তশিল্প আদিত অংশগ্ৰহণৰ বাবে প্ৰেৰিত কৰা উচিত।

**উদ্ভাৱনী আৰু স্বাস্থ্যশীল বিষয় ঃ** সন্তানৰ সাংগঠনিক আৰু ক্ৰিয়াভিত্তিক দিশৰ বিকাশৰ বাবে ফুল-ফলৰ বাগিছা কৰা, ক্ষুদ্ৰ শাক-পাচলিৰ খেতি কৰা, পেলনীয়া বস্তুৰ পৰা উপযোগী বস্তু প্ৰস্তুত কৰা, পুতলা প্ৰস্তুত কৰা আদিত উৎসাহিত কৰিব পাৰি।

**সামাজিক বিষয় ঃ** অভিভাৱক গৰাকীৰ দৰে সন্তান এটিও যিহেতু সামাজিক প্ৰাণী আৰু দেশ এখনৰ নাগৰিক সেইবাবে সামাজিক জ্ঞানৰ ন্যুনতম হ'লেও আহৰণ কৰা জৰুৰী। সামাজিক সংগঠনৰ নিম্নতম জ্ঞান দিবলৈ সন্তানক কিছুমান সংগঠনৰ বাবে অনুপ্ৰেৰিত কৰা উচিত। অধ্যয়ন সংস্থা, বিজ্ঞান সংস্থা,

সাহিত্য সংস্থা, ভ্ৰমণ ক্লাৱ আদিৰ উপৰিও বনভোজ, শিক্ষামূলক ভ্ৰমণ আদিৰ বাবে কিদৰে সংগঠন কৰিব পাৰি আৰু কিদৰে পৰিচালনা কৰিব পাৰি তাৰ বাবে সন্তানক উৎসাহিত কৰা উচিত।

**ৰুচিমূলক কাৰ্য ঃ** সাম্প্ৰতিক কালত বিভিন্ন ৰুচিমূলক কাৰ্যৰ দ্বাৰা অনেক মণীষী পৃথিৱীত নামজ্বলা হৈ পৰিছে। গ্ৰাম্য অঞ্চলৰ ঘৰখনেও এনে কিছুমান সহজে ঢুকি পোৱা কামৰ বাবে সন্তানক উৎসাহিত কৰা উচিত। এনে কামবোৰৰ ভিতৰত বিভিন্ন ক্ৰীড়াৰ উপৰিও যোগচৰ্চ্চা, চিত্ৰসংগ্ৰহ, ফটোগ্ৰাফী, পুৰণি বস্তু সংগ্ৰহ, সাংবাদিকতা, সুৰুচিপূৰ্ণ বাগ্মীতা, বৃক্ষৰোপণ, মৎস পালন, পৰ্বতাৰোহন, সৌন্দৰ্য চৰ্চা আদিৰ বাবে গাঁৱৰ সন্তানক ঘৰখনে অনুপ্ৰাণিত কৰা উচিত।

ওপৰোক্ত বিষয়বোৰৰ উপৰিও ঘৰখন আৰু ইয়াৰ চাৰিওকাষত থকা বাতাবৰণৰ সৈতে সন্তানক শৈশৱতে চিনাকি কৰি দিয়া প্ৰয়োজন। ওচৰ-পাজৰৰ গছ-লতা-তৰু-বৃক্ষ, খাল- ডোং-নদী-নিজৰা-পাহাৰ-হাবি, পথাৰ ইত্যাদি আৰু এইবোৰৰ লগত সংপৃক্ত হৈ থকা জীৱ-প্ৰাণীকুল আদিৰ সৈতেও ঘৰখনৰ সম্পৰ্কৰ কথা সন্তানে অনুভৱ কৰাৰ বাবে প্ৰৰোচিত কৰা উচিত।

নিবন্ধটিত অন্তৰ্ভুক্ত হোৱা বিষয়সমূহে যে শেষ কথা তেনে নহয়। এইবোৰ বিষয়ৰ উপৰিও অনেক সচেতন অভিভাৱকে ঢুকি পোৱাকৈ নানা উদ্ভাৱনী দিশ নিশ্চয় আছে। গ্ৰামাঞ্চলত শিক্ষা অনুকূল ঘৰখন গঢ়ি তুলিবলৈ কৰা প্ৰচেষ্টাৰ ফল যে অকল সন্তানটি বা ঘৰখনে পাব তেনে নহয়। গাঁৱত প্ৰতিঘৰ পৰিয়ালে একোখনকৈ শিক্ষা অনুকূল ঘৰ সৃষ্টি কৰিব পাৰিলে নিজৰ লগেত দেশৰো বৃহৎ সমাজখনৰ কাৰণেই এক মহৎ অৰিহণা হ'ব। আদৰ্শ এখন ঘৰ গঢ় দি অভিভাৱকসকলে মানুহ গঢ়া আৰু দেশ নিৰ্মাণৰ অংশীদাৰ হোৱাৰ কৃতিত্ব আহৰণ কৰিব পাৰে।

•••

# বিকালী অঞ্চলৰ আৰ্থ-সামাজিক অৱস্থাৰ ৰেঙণি
# আৰু
# বিকালী মৌজা উন্নয়ন সমিতি

**অৱতৰণিকা ঃ**

ব্যক্তি, পৰিয়াল আৰু সমাজৰ ভাল কৰাৰ বাবে বিবেচক প্ৰাণী মানুহৰ এক স্বাভাৱিক হাবিয়াস আৰু মন থাকে। সামগ্ৰিক ভাল কৰিব খোজাৰ অৰ্থ এয়ে যে সংশ্লিষ্ট সকলোৰে মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধনৰ বাবে লাগতিয়াল ভৌতিক উপকৰণসমূহ সহজলভ্য কৰি তোলাৰ প্ৰয়াস। ভৌতিক কল্যাণৰ উপকৰণসমূহ যেনে শিক্ষা-যাতায়াত-স্বাস্থ্য, উপাৰ্জনৰ উৎস আদিৰ উপলব্ধকৰণৰ বাবে সচৰাচৰ ৰাষ্ট্ৰ ব্যৱস্থাৰ কল্যাণকামী চৰকাৰে নীতি আৰু কাৰ্যপন্থা গ্ৰহণ কৰা দেখা যায়। কিয়নো এইবোৰ ঘাই সা-সুবিধা অতি ব্যয়বহুল। বিকাশ কৰিবলগীয়া এনে কিছুমান জৰুৰী বিষয় চৰকাৰী পৃষ্ঠপোষকতাৰ আওতাৰ বাহিৰত থকা অথবা কিছু শ্ৰেণী লোকৰ অভাৱ-অভিযোগ চৰকাৰৰ দৃষ্টিৰ পৰা দুৰৈত থাকি যোৱাৰ এটি স্বাভাৱিক প্ৰৱণতা সদায় থাকিয়েই যায়। এনেবোৰ বৈ যোৱা অথবা কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ নোহোৱা অথচ আৱশ্যকীয় বিষয়সমূহৰ সহজ উপলব্ধৰ বাবে অতীজৰ পৰাই স্বেচ্ছাসেৱী সংগঠনৰ জন্ম হোৱাৰ অনেক ইতিহাস বিদ্যমান।

**স্বেচ্ছাসেৱী সংগঠনৰ প্ৰেক্ষাপট ঃ**

বিশ্ব ইতিহাসত স্বেচ্ছাসেৱী সংগঠনৰ অপৰিহাৰ্যতা আহি পৰিছিল

প্ৰধানতঃ পশ্চিমীয়া দেশসমূহত প্ৰচলিত হৈ থকা দাসত্ব প্ৰথাৰ অৱলুপ্তিৰ তাৰণাত। ভাৰতীয় সভ্যতাত উপনিষদীয় আৰু মহাকাব্যিক যুগৰ পৰাই আৰ্তজনক সহায়, অবুজক-জ্ঞানদান, সাধাৰণ লোকৰ জ্ঞানচক্ষু মুকলি কৰাৰ বাবে বৰেণ্য মাণীষীসকলে স্বেচ্ছাই আশ্ৰম পাতি সমাজৰ কল্যাণমুলক সেৱা আগবঢ়াইছিল। আধুনিক কালৰ পাতনিতে দয়ানন্দ স্বৰস্বতী, ৰাজা ৰামমোহন ৰায়, স্বামী বিবেকানন্দ, আচাৰ্য্য বিনোৱা ভাৱে আদি বৰেণ্য মণীষীসকলে নানা সংস্কাৰমূলক কাৰ্যৰ বাবে স্বেচ্ছাসেৱী সংগঠন প্ৰতিষ্ঠা কৰিছিল, পৰিচালনা কৰিছিল আৰু সংস্কাৰমূলক কাৰ্যত এইসকল মণীষীয়ে আগভাগ লৈছিল। এই সংগঠনবোৰৰ প্ৰভাৱত ভাৰতবৰ্ষত এক নৱজাগৰণৰ সৃষ্টি হৈছিল আৰু মধ্যযুগীয় কুসংস্কাৰ ক্ৰমে আঁতৰিব ধৰিছিল। সমান্তৰালভাৱে ভাৰতীয়সকলৰ আত্মপৰিচয়ৰ প্ৰত্যয় জাগিব ধৰে আৰু পৰাধীনতাৰ পৰা মুক্ত হোৱাৰ চিন্তা চেতনাৰ উদ্ৰেক হ'ব ধৰে। এই ধাৰাবাহিকতাত ভাৰতীয়সকলৰ শিক্ষা, সংস্কৃতি, সামাজিক ঐক্য-সংহতিৰ চেতনা জাগৃত হ'ব ধৰে আৰু পৰৱৰ্তী সময়ত পৰাধীনতাৰ শৃংখল চিঙিবলৈ জাতীয় কংগ্ৰেছৰ লগত অনেক স্বেচ্ছাসেৱী অনুষ্ঠান গঢ়ি উঠে। পৰিণতিত দুশ বছৰীয়া পৰাধীনতাৰ গ্ৰাসৰ পৰা ভাৰতীয়ই পৰিত্ৰাণ পাবলৈ সক্ষম হয়। অৰ্থাৎ অনেক ক্ষেত্ৰত চৰকাৰে সামৰিব নোৱাৰা অথচ অতি লাগতিয়াল আৰ্থ-সামাজিক অভাৱ দূৰীকৰণৰ সাংগঠনিক প্ৰচেষ্টাতেই স্বেচ্ছাসেৱী সংগঠনৰ প্ৰেক্ষাপট সাঙোৰ খাই আছে।

**বিকালী অঞ্চলত স্বেচ্ছাসেৱী অনুষ্ঠান ঃ**

স্বাধীনোত্তৰ কালছোৱাত সমাজৰ সকলো শ্ৰেণী আৰু সকলো অঞ্চল তথা ক্ষুদ্ৰ-ক্ষুদ্ৰ অঞ্চলৰ প্ৰয়োজনীয় আটাইবোৰ বিষয় সামৰি উন্নয়ন পৰিকল্পনা গ্ৰহণ কৰা হৈছিল যদিও অনেক ক্ষেত্ৰত যথেষ্ট গুৰুত্বপূৰ্ণ বিষয় পৰিকল্পনা বিহৰ্ভূত হৈ থকা দেখা যায়। গোৱালপাৰা জিলাৰ ধূপধৰা অঞ্চলো এনে অৱস্থাৰ বাহিৰত নাছিল। অৰ্থাৎ গোৱালপাৰা জিলা সমগ্ৰ দক্ষিণাঞ্চল সামৰি এক পিছপৰা বাতাবৰণত নিমজ্জিত হৈ আছিল। পৰিণতিত গোৱালপাৰা জিলাৰ একেবাৰে পূব প্ৰান্তৰ বাসিন্দাসকলৰ দুৰদৃষ্টি সম্পন্ন কিছু লোকৰ মনত উন্নয়ন তাৰণাই আমনি কৰিব ধৰিছিল। সেই তাৰণাতেই ধূপধৰাত আৰু ধূপধৰাৰ আশে-পাশে

নানা ধৰণৰ স্বেচ্ছাসেৱী অনুষ্ঠান যেনে ক্লাৱ (সংঘ), পুথিভঁৰাল, সাংস্কৃতিক গোষ্ঠী আদি স্বপ্ৰণোদিতভাৱে গঢ়ি উঠিব ধৰিছিল। এই অনুষ্ঠানবোৰৰ কাৰ্যৰ পৰিধি সীমিত আৰু বৃহৎ অঞ্চলকো সামৰি ল'ব পৰা নাছিল। এনে সন্ধিক্ষণত এহাতে বৃহৎ অঞ্চলজুৰি সামগ্ৰিক উন্নয়নৰ তাৰণা, আনহাতে সমসাময়িক বজাৰ ব্যৱস্থাৰ আগ্ৰাসন আৰু কৃষি-ক্ষেত্ৰৰ আনুষংগিক উৎপাদিত বস্তুৰ বিপণন ক্ষেত্ৰ (হাট) আদিৰ সুসংগঠনৰ প্ৰয়োজনীয়তা আদিয়ে ১৯৬৭ চনত ধূপধৰাক কেন্দ্ৰস্থল হিচাপে লৈ "বিকালী মৌজা উন্নয়ন সমিতি" নামেৰে স্বেচ্ছাসেৱী অনুষ্ঠানৰ জন্ম দিয়া হয়।

**বিকালী মৌজা উন্নয়ন সমিতিৰ সংক্ষিপ্ত বিৱৰণ ঃ**

মহাবাহু ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে বৰ্তমানৰ গোৱালপাৰা জিলাৰ পূব প্ৰান্তত মেঘালয় ৰাজ্যৰ গাতে লাগি থকা তাহানিৰ বৃটিছ ৰাজৰ পূৰ্বদ্বাৰ আৰু হাব্ৰাঘাট পৰগনাৰ বিকালী ডিহিৰ অন্তৰ্গত ধূপধৰা ৰাজহ গাঁও আৰু ইয়াৰ চৰিওকাষে থকা গাঁওসমূহৰ সমষ্টিয়েই বিকালী অঞ্চল বুলি জনা যায়। পাতনিতেই অৰ্ধশতাধিক গাঁৱৰ বাসিন্দাসকলৰ তৎপৰতাত গণতান্ত্ৰিক ভাবে সংগঠিত হৈ অঞ্চলৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে ধূপধৰাৰ সাপ্তাহিক সোমবাৰীয়া হাটখনক কেন্দ্ৰ কৰি নানা পৰিকল্পনাৰ সূচনা কৰা হয়। এনে প্ৰচেষ্টাৰ ফলত স্বেচ্ছাসেৱী অনুষ্ঠানটোৰ জন্ম হয়। এই অঞ্চলৰ গ্ৰাম্য জনসাধাৰণৰ আৰ্থ-সামাজিক পৰিৱৰ্তনৰ তাগিদাত স্বাধীনোত্তৰ কালত বিভিন্ন দূৰদৃষ্টি সম্পন্ন লোকে নানা ধৰণে প্ৰচেষ্টা অব্যাহত ৰাখিছিল। তেনে প্ৰচেষ্টাৰ ফলশ্ৰুতিত সকলো জাতি-জনগোষ্ঠীৰ সমন্বিত কাৰ্যৰে আনুষ্ঠানিকভাৱে বিকালী মৌজা উন্নয়ন সমিতি নামেৰে এটি স্বেচ্ছাসেৱী সমিতিৰ জন্ম দিয়া হয় আৰু পৰৱৰ্তী সময়ত চৰকাৰী পঞ্জীয়নভুক্ত কৰি লোৱা হয়। জন্মলগ্নৰ পৰাই অঞ্চলৰ জনসাধাৰণৰ সৰ্বাঙ্গীণ উন্নয়নৰ আটাইবোৰ গুৰুত্বপূৰ্ণ দিশত এই সংস্থাই কাৰ্য ব্যৱস্থা গ্ৰহণ কৰা দেখা যায়। এই অঞ্চলৰ শৈক্ষিক বিকাশ, ঐক্য-সংহতি, শান্তি-সম্প্ৰীতি আদি দিশৰ ধ্বজাবাহী বিকালী মৌজা উন্নয়ন সমিতিয়ে আৰু ইয়াৰ সৈতে সংপৃক্ত হৈ থকা গাঁওসমূহৰ ৰাইজে অঞ্চলটিৰ পৰিচয় "বিকালী অঞ্চল" বুলি দাঙি ধৰাত গৌৰৱবোধ কৰা পৰিলক্ষিত হয়।

**সমিতিৰ এলেকা ঃ**

ৰংজুলি জনজাতি উন্নয়ন খণ্ডৰ অধীনত তাহানিৰ অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছ আস্থান আৰু বৃহৎ সাপ্তাহিক হাট কেন্দ্ৰিক ব্যৱসায়িক কেন্দ্ৰ ধূপধৰা ৰাজহ গাঁৱক মুখ্য কৰি আশে-পাশে থকা গাঁওসমূহক লৈ এনেহেন এক সামাজিক গোটৰ জন্মই অঞ্চলৰ নানা দিশৰ উন্নতি সাধন কৰিব ধৰে। ধূপধৰা ৰাজহ গাঁৱৰ চাৰিওফালে আবৰি থকা বৰ্তমানৰ তিনিখন গাঁও পঞ্চায়ত এলেকাৰ গাঁওসমূহ আৰু আমবাৰী গাঁও পঞ্চায়তৰ আমবাৰী আৰু খেকাপাৰা গাঁৱক লৈ বিকালী অঞ্চলৰ পৰিধি। প্ৰকৃততে ই ধূপধৰা, কোঠাকুঠি আৰু খুটাবাৰী গাঁও পঞ্চায়ত এলেকাৰ এটা স্বেচ্ছমূলক সামাজিক অনুষ্ঠান। পূৰ্বৰ বিকালী ডিহি নামৰ আধাৰত ধূপধৰা ৰাজহ গাঁৱক কেন্দ্ৰ হিচাপে গণ্য কৰি এক বৃহৎ গ্ৰামাঞ্চলক সামৰি বৰ্তমানৰ বিকালী অঞ্চল আৰু বিকালী মৌজা উন্নয়ন সমিতি এই গাঁওসমূহৰ লোকসকলৰ প্ৰাণ স্বৰূপ হৈ পৰিছে।

**সমিতিৰ কৰ্ম পৰিধি ঃ**

শিক্ষাৰ প্ৰসাৰ, স্বাস্থ্য সেৱাৰ সুবিধা, উপাৰ্জনৰ সুবিধা, যাতায়াত-যোগাযোগৰ সুবিধা, বিত্তৰ সুবিধা, জলসিঞ্চনৰ সুবিধা আদিয়ে একোটি অঞ্চলৰ আৰ্থ-সামাজিক পৰিৱৰ্তন অৰ্থাৎ উন্নতি অনাত অৰিহণা যোগায়। আৰ্থ-সামাজিক অৱস্থাৰ পৰিৱৰ্তন, আনকথাত আৰ্থিক উন্নয়ন হ'ল সমূহীয়া মানৱ প্ৰচেষ্টাৰ সৰ্বশেষ উদ্দেশ্য। সেইবাবে গণতান্ত্ৰিক কল্যাণকামী ৰাষ্ট্ৰৰ পৰিকল্পিত ব্যৱস্থাই জনসাধাৰণৰ জীৱন ধাৰণ উন্নত কৰাৰ বাবে আৰ্থ-সামাজিক বুনিয়াদ গঢ়ি তুলিবলৈ প্ৰচুৰ ধন খৰছ কৰা দেখা যায়। সাম্প্ৰতিক কালত অৰ্থনীতিবিদসকলে বিস্তৃত উন্নয়ন ধাৰণাটোক অধিক অৰ্থপূৰ্ণ কৰিবলৈ সংক্ষিপ্ত ৰূপত ইয়াক মানৱ উন্নয়ন বুলি অভিহিত কৰে। ইউ.এন.ডি.পি. নামৰ ৰাষ্ট্ৰসংঘৰ সংস্থা এটাই বিভিন্ন কৌশল অবলম্বন কৰি অঞ্চলভেদে সমগ্ৰ বিশ্ববাসীৰ মানৱ উন্নয়নৰ জোখ উলিয়ায়। মানৱ উন্নয়নৰ তুলনামূলক মান নিৰ্ধাৰণত ব্যক্তিসকলৰ প্ৰয়োজনীয় ন্যূনতম আয়, শিক্ষাপ্ৰাপ্তি আৰু স্বাস্থ্য সেৱাৰ সুবিধা এই তিনিটা প্ৰধান উপাদানক জোখৰ উৎস হিচাপে ব্যৱহাৰ কৰা হয়। এই তিনিবিধ উপাদানৰ ইতিবাচক অৱস্থা নিৰ্ভৰ কৰে আৰ্থ-সমাজিক বুনিয়াদৰ প্ৰাচুৰ্যৰ ওপৰত। যিবোৰ

কৃষি আৰু ঔদ্যোগিক উৎপাদন বৃদ্ধিৰে ব্যক্তিসকলৰ উপাৰ্জনত প্ৰভাৱ পেলায়। কৃষি উৎপাদন নিৰ্ভৰ কৰে জলসিঞ্চন, শক্তি, পুঁজি, যাতায়াত ইত্যাদিৰ ওপৰত। আনহাতে ঔদ্যোগিক উৎপাদন বৃদ্ধি নিৰ্ভৰ কৰে আধুনিক যন্ত্ৰপাতি, পাৰদৰ্শী শ্ৰমশক্তি, পৰিচালনা দক্ষতা, বেংক-বীমা সুবিধা, যাতায়াত-যোগাযোগ ইত্যাদিৰ ওপৰত। কৃষি বা ঔদ্যোগিক উৎপাদন বৃদ্ধিৰ প্ৰধান চালিকা শক্তি হ'ল মানৱ শ্ৰম শক্তি। মানৱ শ্ৰম শক্তিৰ উৎকৰ্ষ সম্ভৱ হয় উপযুক্ত শিক্ষাৰ প্ৰসাৰ আৰু স্বাস্থ্য সেৱা সুবিধাৰ ওপৰত। শিক্ষাৰ প্ৰসাৰ আৰু স্বাস্থ্য সুবিধাইহে মানৱ সম্পদৰ মানসিক আৰু শাৰীৰিক অৱস্থাৰ উন্নতি ঘটাব পাৰে। এনে দৃষ্টিভংগী আগত ৰাখি বিকালী অঞ্চলত আৰ্থ-সামাজিক অৱস্থাৰ স্বৰূপ দাঙি ধৰাৰ উপৰিও এইবোৰৰ উন্নয়নৰ বাবে বিকালী মৌজা উন্নয়ন সমিতিৰ ভূমিকাৰ বিষয়ে আলোকপাত কৰিবলৈ নিবন্ধটি যুগুতোৱা হৈছে।

**শিক্ষা ঃ**

উল্লেখযোগ্য যে বিকালী মৌজা উন্নয়ন সমিতিখনে প্ৰকৃতাৰ্থত যে স্বেচ্ছাসেৱী অনুষ্ঠানৰ বৈশিষ্ট্যৰ পৰা আঁতৰি যোৱা নাই তাৰ প্ৰমাণ পাবলৈ ২০১৬-১৭ বৰ্ষৰ বাৰ্ষিক বাজেটখনলৈ চকু ফুৰালে স্পষ্ট হৈ পৰে। বাজেটখনক সংক্ষিপ্তকৰণ কৰিলে দেখা যায় যে ক্ৰম অনুসৰি বজাৰ উন্নয়ন, শিক্ষা, সংস্কৃতি-ক্ৰীড়া, যাতায়াত -যোগাযোগ, স্বাস্থ্য, কৃষি সামগ্ৰী বিপণন সুবিধা আদিত অগ্ৰাধিকাৰ দিয়া দেখা যায়। অগ্ৰাধিকাৰ ভিত্তিত উক্ত বৰ্ষৰ বাজেট অনুসৰি প্ৰায় ৪৬.১৬ শতাংশ, ৩০.৩৪ শতাংশ, ১২ শতাংশ আৰু ১১ শতাংশ ক্ৰমে নিৰ্মাণ আৰু বজাৰ উন্নয়ন, শিক্ষা, যাতায়াত-সংস্কৃতি-ক্ৰীড়া-স্বাস্থ্য- প্ৰশাসনীয়-কাৰ্যালয় আৰু আন আন শিতানত মুঠ বাজেট খৰচ কৰা দেখা যায়। ইয়ে প্ৰতিপন্ন কৰে যে বিকালী মৌজা উন্নয়ন সমিতিয়ে বজাৰ উন্নয়নৰ পিছতেই অঞ্চলৰ শিক্ষা খণ্ডৰ উন্নয়নৰ বাবে প্ৰাধান্য দি আহিছে। মনকৰিবলগীয়া যে শিক্ষা খণ্ডত উন্নয়ন অব্যাহত ৰাখিবলৈ সমগ্ৰ অঞ্চলৰ ১০ খন প্ৰাথমিক বিদ্যালয়, ৪খন মজলীয়া বিদ্যালয়, ৯ খন উচ্চ মাধ্যমিক বিদ্যালয় আৰু এখন মহাবিদ্যালয়লৈ নিয়মিত নৈতিক আৰু আৰ্থিক সহযোগিতা নিৰন্তৰভাৱে আগবঢ়াই আছে। তদুপৰি প্ৰয়োজন ভিত্তিত কেইখনমান বিদ্যালয়ত অমঞ্জুৰীকৃত

হিন্দী আৰু বড়ো শিক্ষকৰ মাননী প্ৰদান কৰি আছে।

বিকালী অঞ্চলত মৌজা উন্নয়ন সমিতিৰ প্ৰায় ৫৪ গাঁৱৰ শিক্ষাৰ অৱস্থা কিছু বছৰ আগলৈ তেনে পিছপৰা আছিল। শিক্ষা যিহেতু উন্নয়নৰ অন্যতম ঘাই ভেঁটি সেইবাবে বিকালী মৌজা উন্নয়ন সমিতিৰ মজিয়াত এই খণ্ডৰ উন্নয়নৰ বিশদ আলোচনা হয় আৰু উন্নয়ন কাম-কাজত শিক্ষাই অগ্ৰাধিকাৰ পায়। মনকৰিবলগীয়া যে নিম্ন, মধ্য আৰু উচ্চ পৰ্যায়ৰ শিক্ষা খণ্ডৰ উন্নয়নত গুৰুত্ব দিয়াৰ উপৰিও সমিতিখনৰ নেৰানেপেৰা প্ৰচেষ্টাৰ ফলত তিনিটা শাখাযুক্ত আৰু দুটা বিষয়ৰ স্নাতকোত্তৰ শ্ৰেণী থকা বিকালী মহাবিদ্যালয় প্ৰতিষ্ঠা লাভ কৰিছে আৰু এতিয়াও মহাবিদ্যালয়খনত শুভাকাংক্ষী অভিভাৱক ৰূপত প্ৰত্যক্ষ সহযোগ আগবঢ়াই আছে।

শিক্ষা-আনুষংগিক বিষয় যেনে- সাংস্কৃতিক পৰম্পৰা আৰু ক্ৰীড়া পৰম্পৰাৰ উন্নয়নৰ বাবে বিকালী মৌজা উন্নয়ন সমিতিয়ে অবিৰত ভাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। উক্ত সমিতিৰ তত্বাবধানত বিকালী ক্ৰীড়া সন্থা নামৰ এটি ভ্ৰাতৃ সংগঠন গঢ়ি তুলি তাক পোহপাল দি অঞ্চলৰ উঠি অহা খেলুৱৈসকলক বাট দেখুৱাই মহৎ নিদৰ্শন দাঙি ধৰি আছে। তদুপৰি অঞ্চলৰ সাংস্কৃতিক পৰম্পৰাৰ উত্তৰণৰ বাবে নৈতিক সহযোগৰ উপৰিও বিভিন্ন প্ৰকাৰে অনুদান আগবঢ়াই সাংস্কৃতিক ক্ষেত্ৰত জড়িত লোকসকলক উৎসাহিত কৰি আছে।

বিকালী অঞ্চলত সামগ্ৰিক আৰ্থ-সামাজিক দিশৰ প্ৰতি নিৰবিচ্ছিন্ন দৃষ্টি ৰাখি বিকালী মৌজা উন্নয়ন সমিতিয়ে এক "ক্ষুদ্ৰ কল্যাণকামী চৰকাৰৰ আৰ্হি" (Mini Welfare State Model) ৰূপে কাম কৰি থকা পৰিলক্ষিত হৈছে। পৃথিৱীত এনে এখন চৰকাৰ নাই যিয়ে বাৰ্ষিক বাজেটৰ ৩০% শিক্ষা শিতানত ব্যয় কৰে। এই কথাই প্ৰতিপন্ন কৰে যে সমিতিখনে প্ৰকৃতাৰ্থত স্বেচ্ছাসেৱী সংগঠনৰ ধৰ্ম "না-লাভ" (No Profit) মানি এক বিৰল নিদৰ্শণ দাঙি ধৰিছে।

**কৃষি ঃ**

বিকালী অঞ্চলত প্ৰায় ৯০ শতাংশ লোক কৃষিজীৱী যদিও কৃষি পৰম্পৰাত আধুনিক কৌশল প্ৰচলন হোৱা দেখা নাযায়। এই অঞ্চলৰ নগণ্য সংখ্যক লোক চাকৰিজীৱী আৰু ব্যৱসায়ী হ'লেও মূলতঃ সকলো শ্ৰেণীৰ লোক

কৃষি নিৰ্ভৰশীল। ভূ-প্ৰাকৃতিক গঠন অনুযায়ী সমগ্ৰ অঞ্চলটি মুখ্যতঃ অৰণ্যকেন্দ্ৰিক আৰু কৃষি উপযোগী সমভূমিৰ পৰিমাণ কম। মূল খাদ্য শস্য যেনে- ধান, ঘেঁহু, সৰিয়হ, মাহ জাতীয় শস্য আদি উৎপাদনৰ প্ৰতিকূল ভূ-প্ৰাকৃতিক গঠনে কিন্তু উদ্যান শস্যৰ অনুকূল পৰিৱেশ গঢ় দিছে। এনে ভূ-প্ৰাকৃতিক গঠন আৰু চিৰপ্ৰৱাহিত নদীৰ অনুপস্থিতিয়ে সমগ্ৰ অঞ্চলত জলসিঞ্চন দুৰ্বিসহ কৰা পৰিলক্ষিত হৈছে যদিও বিকালী মৌজা উন্নয়ন সমিতিৰ কৰ্ম আঁচনিত উপযুক্ত জলসিঞ্চনৰ ব্যৱস্থাৰ বাবে সততে চৰকাৰ তথা বিভাগৰ সৈতে যোগাযোগ ৰক্ষা কৰি থকা হৈছে। অঞ্চলত মূল খাদ্য আৰু নগদী শস্য উৎপাদনৰ বাতাবৰণ প্ৰতিকূল যদিও উদ্যান শস্য উৎপাদনৰ সুবিধাজনক পৰিস্থিতিয়ে বজাৰ উন্নয়ন অপৰিহাৰ্য কৰি তুলিছে। পৰিৱৰ্তিত পৰিস্থিতিত বিকালী অঞ্চলৰ বাবে উদ্যান শস্যই যথেষ্ট সুযোগ আনি দিছে। সেইবাবে উদ্যান শস্য সহজ বিপণনৰ বাবে বিকালী মৌজা উন্নয়ন সমিতিয়ে যথাসম্ভৱ বজাৰৰ সা-সুবিধা বৃদ্ধি কৰাৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। এনে ব্যৱস্থা হাতত লোৱাৰ অন্তৰালত বিকালী মৌজা উন্নয়ন সমিতিৰ সচেতনতা জড়িত হৈ আছে। কিয়নো সাম্প্ৰতিক জনসংখ্যাৰ দ্ৰুত বৃদ্ধি, নগৰীকৰণ, জীৱন ধাৰণ পদ্ধতিৰ দ্ৰুত পৰিৱৰ্তন আৰু বৰ্দ্ধিত খাদ্য সচেতনতাই উদ্যান শস্যসমূহৰো চাহিদা বৃদ্ধি কৰা পৰিলক্ষিত হৈছে। এনে পৰিস্থিতিত কৃষকসকলৰ বাবে উদ্যান শস্যৰ উৎপাদন বৃদ্ধিৰ বাবে প্ৰয়োজনীয় সা-সুবিধা সৃষ্টি কৰাত বিকালী মৌজা উন্নয়ন সমিতিয়ে পাৰ্যমানে সহযোগিতা আগবঢ়াই আছে। সেইবাবে কৃষি আৰু উদ্যান শস্যৰ উৎপাদন উৎসাহজনক কৰিবলৈ বিকালী মৌজা উন্নয়ন সমিতিয়ে আন্তঃগাঁথনি বৃদ্ধি কৰাত মনোনিবেশ কৰিছে। ধূপধৰাৰ সাপ্তাহিক হাটখনৰ শৃংখলাবদ্ধ উন্নয়ন আৰু পৰিচালনাই এই কথাৰ প্ৰমাণ দাঙি ধৰে।

অঞ্চলটিত মূল খাদ্য শস্য ধান উৎপাদন এবাৰ খেতি কৰা পদ্ধতিত নিমজ্জিত হৈ আছে। বৃহৎ জলসিঞ্চনৰ সুবিধা নাই যদিও এই অঞ্চলৰ দেওঁশীলাৰ ক্ষুদ্ৰ জলসিঞ্চন আঁচনি, নৱ-নিৰ্মিত মাৰ্কি জলসিঞ্চন আঁচনি আৰু খুটাবাৰীৰ গভীৰ নলীনাদ আঁচনিৰ সুফল কৃষকসকলে পাই আছে। এইবোৰৰ উপৰিও চৰকাৰ তথা বিভাগৰ ওচৰত বিকালী মৌজা উন্নয়ন সমিতিয়ে প্ৰচুৰ

নলীনাদৰ ব্যৱস্থাৰ বাবে আবেদন-নিবেদন কৰি আছে।

**শিল্প ঃ**

বিকালী অঞ্চল তথা ইয়াৰ আশে-পাশে থকা ঠাইসমূহত কোনো বৃহৎ বা মজলীয়া উদ্যোগ গঢ়ি উঠা দেখা নাযায়। পৰম্পৰাগত পৰিয়াল কেন্দ্ৰিক বয়ন আৰু হস্ত শিল্পৰ বাহিৰে কোনো শিল্প উদ্যেগ গঢ়ি নুঠা অৱস্থাই অঞ্চলৰ জনসাধাৰণৰ অৰ্থনৈতিক পিছপৰা অৱস্থাৰ কথাকে সূচায়। তৎসত্বেও পৰম্পৰাগতভাৱে এই অঞ্চলৰ সকলো জনগোষ্ঠীৰ মহিলাসকল বয়ন শিল্পত পাকৈত বুলি জনাজাত। উন্নত কৌশল অৱলম্বন কৰি অধিক মূলধন খটুৱাই এই শিল্পক বাণিজ্যিকীকৰণ কৰাৰ যথেষ্ট থল আছে। এই অঞ্চলৰ মৃতপ্ৰায় শিল্প ধূপকাঠি প্ৰস্তুত শিল্প, বাঁহ-বেতৰ হস্ত শিল্প আদি বিকাশৰ প্ৰচুৰ সম্ভাৱনীয়তা আছে। বাঁহ-বেত আৰু ক্ষুদ্ৰ বনজ সম্পদত অভিনৱ কৌশল (ফেচন ডিজাইনিঙ) প্ৰয়োগ কৰি ব্যৱসায় সম্প্ৰসাৰণ কৰাৰ থল আছে। এই দিশত বিকালী মৌজা উন্নয়ন সমিতিৰ কৰণীয় যথেষ্ট থাকিব পাৰে। ইতিমধ্যে অনেক শিল্পীৰ বাঁহ-বেতৰ সামগ্ৰী, কাঠৰ টুকুৰাৰ আৰ্হি আদি আন্তঃৰাষ্ট্ৰীয় বজাৰত সমাদৰ পোৱা দেখা যায়। ইয়ে বনজ সম্পদেৰে চহকী বিকালী অঞ্চলৰ সুযোগৰ ইংগিত বহন কৰে। শিল্প খণ্ডৰ বিকাশৰ বাবে বিকালী মৌজা উন্নয়ন সমিতিয়ে বিপণনৰ বাবে উৎপানদকাৰী সকলক অনুপ্ৰাণিত কৰাৰ বাবে বজাৰৰ সুবিধা প্ৰদান কৰি আছে।

**স্বাস্থ্য ঃ**

আয় অৰ্জনৰ সুবিধা আৰু শিক্ষাৰ সুবিধাৰ উপৰিও কোনো অঞ্চলৰ জনসাধাৰণৰ আৰ্থ-সামাজিক অৱস্থা নিৰূপনত স্বাস্থ্য সেৱা সুবিধায়ো যথেষ্ট ভূমিকা পালন কৰে। স্বাস্থ্য সেৱা সুবিধাৰ ক্ষেত্ৰত বিকালী অঞ্চল আপেক্ষিকভাৱে পিছ পৰি আছে বুলি ক'ব পাৰি। বহুদিনলৈ ধূপধৰাত এজন চিকিৎসক থকা ৰাজ্যিক চিকিৎসালয়খনে সমগ্ৰ অঞ্চলৰ বাবে স্বাস্থ্য সেৱা প্ৰদান কৰি আছিল। পৰবৰ্তী সময়ত খুটাবাৰী, বাগডোবা, আমবাৰী আদি ঠাইত মিনি পি.এইচ.চি গঢ়ি উঠিছে। সম্প্ৰতি স্বাস্থ্য সেৱাৰ বাবে ৩০খন বিছনাযুক্ত অধিক সুবিধা প্ৰদান কৰিব পৰা বিকালী মডেল হস্পিতাল গঢ়ি উঠিছে। বিকালী

অঞ্চলৰ পৰা টান ৰোগীক তৎকালিন ভাবে উন্নত চিকিৎসাৰ বাবে আন ঠাইলৈ ল'বলগীয়া হ'লে সম্প্ৰতি কেইবাখনো এম্বুলেঞ্চৰ ব্যৱস্থা আছে। চৰকাৰী খণ্ডৰ ধূপধৰা মডেল চিকিৎসালয়ৰ আৰু বিকালী মৌজা উন্নয়ন সমিতিৰ একোখনকৈ এম্বুলেঞ্চে সেৱা আগবঢ়াই থকা দেখা যায়। তদুপৰি মৃত্যুঞ্জয় ১০৮ সেৱাও অঞ্চলৰ ৰাইজে উপভোগ কৰি থকা বুলি জনা যায়। উল্লেখযোগ্য যে ধূপধৰাত মডেল হস্পিতালখন স্থাপন কৰাৰ আগৰণুৱাৰ ভিতৰত বিকালী মৌজা উন্নয়ন সমিতিও অন্যতম। তদুপৰি সমিতিৰ নিজা প্ৰচেষ্টাত এম্বুলেঞ্চ সেৱা প্ৰৱৰ্তনৰ উপৰিও অঞ্চলস্থ হস্পিতালসমূহত জিৰণি ঘৰ সাজি দি চিকিৎসা সেৱাত অৰিহণা যোগাইছে।

**যাতায়াত-যোগাযোগ আৰু বিত্তীয় সুবিধা ঃ**

যাতায়াত ব্যৱস্থাত সম্প্ৰতি বিকালী অঞ্চল যথেষ্ট আগবঢ়া বুলি ক'ব পাৰি। বিকালী অঞ্চলক প্ৰায় সমানে দুভাগ কৰি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথ ধূপধৰাৰ মাজেৰে ৰাজধানী চহৰ গুৱাহাটী আৰু জিলা সদৰ গোৱালপাৰাক স্পৰ্শ কৰিছে। বিকালী অঞ্চলৰ প্ৰায়বোৰ গাঁৱক ৰাষ্ট্ৰীয় ঘাইপথ আৰু ধূপধৰালৈকে পকী ৰাস্তাৰে সংযোজিত হৈ পৰা দেখা যায়। তদুপৰি ধূপধৰাৰ পৰা প্ৰায় ১.৫ কিলোমিটাৰ উত্তৰে ধূপধৰা ৰেলষ্টেচন অৱস্থিত। এই ৰেলষ্টেচনে ৰাজ্যৰ বাকী অংশ আৰু দেশৰ বিভিন্ন অংশৰ লগত বিকালী অঞ্চলকো সংলগ্ন কৰিছে।

যোগাযোগ ব্যৱস্থাও ধূপধৰা আৰু বিকালী অঞ্চলত যথেষ্ট উন্নত বুলি ক'ব পাৰি। ডাক সেৱাৰ সুবিধা থকাৰ উপৰিও টেলিফোনিক আৰু ইণ্টাৰনেটৰ সুবিধাই এই অঞ্চলক 'বিশ্ব গাঁও' (Global Village)ৰ সৈতে সংলগ্ন কৰিছে। যোগাযোগ ব্যৱস্থাৰ দৃষ্টিভংগীৰে চালে বিকালী অঞ্চল এতিয়া কোনো উন্নত ঠাইতকৈ পিছপৰি থকা নাই বুলি বিশ্বাস কৰিব পাৰি। যাতায়াত ব্যৱস্থাৰ উন্নতিৰ বাবে বিকালী মৌজা উন্নয়ন সমিতিয়ে ইয়াৰ অন্তৰ্ভুক্ত গাঁওসমূহৰ গাঁৱলীয়া পথ উন্নয়নৰ বাবে অনুদান দিয়াৰ উপৰিও ক্ষুদ্ৰ দলং আৰু কালভাৰ্ট নিৰ্মাণ কৰাত সহায় কৰে।

বিত্তীয় সা-সুবিধাৰ ক্ষেত্ৰত বিকালী অঞ্চল পিছ পৰি থকা নাই বুলি অনুমান কৰিব পাৰি। নানা অসুবিধাৰ বাবে আমবাৰী আৰু হেকৰা অঞ্চলত

ৰাজহুৱা খণ্ডৰ বেংক তিষ্ঠি থাকিব নোৱাৰিলেও এই অঞ্চলৰ কেন্দ্ৰস্বৰূপ ধূপধৰাত কেইবাটাও বেংক প্ৰতিষ্ঠানে জনসাধাৰণলৈ বিত্তীয় সুবিধা আগবঢ়াই আছে। সম্প্ৰতি ধূপধৰাত এছ.বি.আই, ইউ.বি.আই., চি. বি.আই. অসম গ্ৰামীণ বিকাশ বেংকৰ একোটাকৈ শাখাই জনসাধাৰণৰ বিত্তীয় লেনদেনত জড়িত হৈ আছে। তদুপৰি বিত্তীয় সুবিধাৰ বাবে ভাৰতীয় ষ্টেট বেংকৰ শাখা স্থাপনত বিশেষ তৎপৰতা দেখুৱায় আৰু সমিতিৰ নিজা গৃহত বেংকৰ শাখা চলি থকাৰ সুবিধা কৰি দিয়া হৈছে।

**মন্তব্য ঃ**

উল্লেখ্য যে বিকালী মৌজা উন্নয়ন সমিতিৰ সীমিত সম্বল স্বত্বেও যিমান সম্ভৱ অঞ্চলৰ আৰ্থ-সামাজিক উত্তৰণৰ সকলো ধৰণৰ প্ৰচেষ্টা অব্যাহত ৰাখি আছে। সীমিত সম্বল হেতু অকল আৰ্থিক অনুদানেৰে কাৰ্যৰ সামৰণি নেপেলাই দক্ষতাৰে বজাৰ পৰিচালনা, অঞ্চলৰ ঐক্য-শান্তি সম্প্ৰীতি বজাই ৰখাৰ প্ৰচেষ্টা অবিৰতভাৱে কৰি থকাৰ উপৰিও অঞ্চলস্থ ৰাইজ, চৰকাৰ, চৰকাৰী বিভাগ আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ মাজত এক ইতিবাচক সংযোগকাৰীৰ ভূমিকা পালন কৰি সমিতিখনে বিগত অৰ্ধশতেক বছৰ গৰ্বেৰে ঠন ধৰি আছে। অঞ্চলস্থ বিভিন্ন জাতি, গোষ্ঠীৰ মিলনভূমি বিকালী অঞ্চলৰ সকলো লোককে গণতান্ত্ৰিক আদৰ্শেৰে মিলা-প্ৰীতিৰ বান্ধোনত ৰাখি এক বিৰল নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হোৱা এই স্বেচ্ছাসেৱী অনুষ্ঠানটো বহুতৰ বাবে আদৰ্শ স্বৰূপ হৈ থাকিব।

●●●

